# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-08 -2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***
-------------------

কন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সমাগত অসম ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰস্তুতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে নতুন ৰাজভৱন পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বিভিন্ন দিশসমূহ প্ৰত্যক্ষ কৰে। তেওঁ সংশ্লিষ্ট বিষয়াসকলক যাৱতীয় কামসমূহ নিয়াৰিকৈ সমাপন কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে গৃহমন্ত্ৰীগৰাকীয়ে পৰহিলৈ গুৱাহাটীৰ খানাপাৰাত ৰাজ্যৰ ২০ হাজাৰ পঞ্চায়ত প্ৰতিনিধিৰ অংশগ্ৰহণেৰে এখন পঞ্চায়ত সন্মিলনত ভাগ ল'ব। এই সন্মিলনত বিজেপিৰ ১৬ হাজাৰ ৬৭১ গৰাকী পঞ্চায়ত প্ৰতিনিধিৰ লগতে অগপৰ ১৫ শৰো অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। তদুপৰি কাৰ্বি স্বায়ত্তশাসিত পৰিষদ, ডিমা হাচাও স্বায়ত্তশাসিত পৰিষদকে ধৰি সকলো স্বায়ত্তশাসিত পৰিষদৰ প্ৰতিনিধিয়ে এই সন্মিলনত অংশগ্ৰহণ কৰিব। অৱশ্যে বিটিচি নিৰ্বাচনৰ বাবে বিটিআৰৰ কোনো প্ৰতিনিধিয়ে এই সন্মিলনত অংশগ্ৰহণ নকৰে। মন্ত্ৰী পীযূষ হাজৰিকা আৰু বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ লগতে কেইবাগৰাকী জ্যেষ্ঠ কৰ্মকৰ্তাই আজি খানাপাৰাৰ অনুষ্ঠানস্থলীত সকলো ব্যৱস্থাৰ বুজ লোৱাৰ লগতে সামগ্ৰিক দিশ পৰ্যবেক্ষণ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণকালত প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষ উপলক্ষে পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তেওঁ লগতে নৱনিৰ্মিত ৰাজভৱন উদ্বোধন কৰিব।

০০০০

মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে আজি ৰাজ্যিক সামগ্ৰী আৰু সেৱা কৰ সঞ্চালকালয়ৰ অতিৰিক্ত কৰ আয়ুক্ত ছাকিল ছাদুল্লাৰ হাতীগাঁৱৰ বাসগৃহত অভিযান চলায়। আয়তকৈ অধিক সম্পত্তি অৰ্জনৰ অভিযোগৰ ভিত্তিত তদাৰকী কোষে পুৱাৰে পৰা অভিযান চলাই অতিৰিক্ত কৰ আয়ুক্তগৰাকীৰ বাসগৃহৰ পৰা কেতবোৰ গুৰুত্বপূৰ্ণ নথি-পত্ৰ জব্দ কৰে। বিষয়াগৰাকীক বৰ্তমান মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ কাৰ্যালয়ত জেৰা চলাই থকা হৈছে।

০০০০

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে সিদ্ধিদাতা, বিঘিনি নাশক গণেশ দেৱতাৰ পূজা-অৰ্চনা কৰা হয়। এই উপলক্ষে আজি গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ গণেশ মন্দিৰসমূহত পুৱাৰে অগণন ভক্তৰ সমাগম পৰিলক্ষিত হয়। গুৱাহাটী মহানগৰীৰ গণেশগুৰি, লতাশিল, নিউ গুৱাহাটী, পাঞ্জাবাৰী আৰু বীৰকুচিৰ গণেশ মন্দিৰত  সিদ্ধিদাতাৰ আশীষ বিচাৰি ভক্তসকলে ভিৰ কৰে। মন্ত্ৰী পিযুষ হাজিৰকাই গণেশগুৰিৰ প্ৰসিদ্ধ গণেশ মন্দিৰত আশীষ গ্ৰহণ কৰি ৰাজ্যবাসীৰ কুশল কামনা কৰে।

ফটাশিল জি এম চি নিউ কলনীত ড° বি আৰ আম্বেডকাৰ আৰু তেলেগু এছ'চিয়েচন অসমে গণেশ চতুৰ্থী উপলক্ষে ৪১ ফুট উচ্চতাৰ গণেশৰ এটা বৃহৎ মৃন্ময় মূৰ্তি সাজি উলিয়াইছে। গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ শ্ৰীশ্ৰীলংকেশ্বৰ ধামৰ নামনিত থকা গণেশ মন্দিৰতো  উলহ মালহেৰে গণেশ চতুৰ্থী উদ্‌যাপন কৰা হয়।

০০০০

ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে সদৌ অসম ছাত্ৰ সন্থাই বছৰজোৰা বিভিন্ন কাৰ্যসূচী আয়োজনৰ সিদ্ধান্ত লৈছে। গুৱাহাটীত অনুষ্ঠিত সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহকৰ সভাত কালি এই সন্দৰ্ভত পৰিকল্পনা যুগুত কৰা হয়। ছাত্ৰ সন্থাই ইয়াৰে কেতবোৰ কাৰ্যসূচী ড০ ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ সৈতে যৌথভাৱে ৰূপায়ণ কৰিব। এই উপলক্ষে

আজি শ্বহীদ ন্যাসত আয়োজিত এখন সংবাদমেলত মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যৰ উপস্থিতিত সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে তেওঁলোকৰ কাৰ্যসূচী সম্পৰ্কে অৱগত কৰে। এই অনুসৰি ৮ ছেপ্তেম্বৰত ৰাজ্যৰ প্ৰতিখন জিলাৰ সদৰত জিলা ছাত্ৰ সন্থাসমূহে পুৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিব। এই অনুষ্ঠানত ১০০ গৰাকী ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী, শিল্পীকে ধৰি অন্যান্য লোকসকলে **মানুহে মানুহৰ বাবে** গীতটি পৰিৱেশন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনাব। সন্ধিয়াৰ ভাগত আঞ্চলিক ছাত্ৰ সন্থাই নিজ নিজ অঞ্চলত ৰাইজৰ সহযোগত বন্তি প্ৰজ্বলন কৰিব। প্ৰতিবছৰৰ দৰে এইবাৰো দীঘলীপুখুৰীৰ পাৰত ড০ ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিস্থলীত সন্ধিয়া **উদ্দীপনা** শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰা হ'ব। এই অনুষ্ঠানত প্ৰতিখন জিলাৰ একোখন নিৰ্বাচিত মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ কণ্ঠশিল্পী, বিশ্ববিদ্যালয় আৰু যুৱ মহোৎসৱৰ শ্ৰেষ্ঠ কণ্ঠশিল্পী তথা গুৱাহাটী মহানগৰীৰ কেইবাখনো মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ কণ্ঠশিল্পীসকলে ড০ ভূপেন হাজৰিকাৰ গীত পৰিৱেশন কৰিব। ছাত্ৰ সন্থাই শিল্পীগৰাকীৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি এখন স্মাৰক গ্ৰন্থও প্ৰকাশ কৰিব বুলি আজিৰ সংবাদমেলতে উল্লেখ কৰে।

০০০০

অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু কামৰূপ মহানগৰ জিলা সমিতিৰ সহযোগত কা বিৰোধী গণ আন্দোলনৰ ৫ গৰাকী ছহিদৰ সোঁৱৰত সদৌ অসম ভিত্তিত আন্তঃশিক্ষানুষ্ঠান তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণু ৰাভা প্ৰেক্ষাগৃহত অহা ৩০ আগষ্টত পুৱা ৯ বজাত প্ৰতিযোগিতা আৰম্ভ হ'ব। তৰ্ক প্ৰতিযোগিতাৰ বিষয় হৈছে- **সদনৰ মতে ইনাৰ লাইন পাৰ্মিট ব্যৱস্থাৰ প্ৰৱৰ্তন আৰু অসম চুক্তিৰ আধাৰত সাংবিধানিক ৰক্ষা কৱচ প্ৰদানৰ বাদে অসমীয়া মানুহৰ ভৱিষ্যত সুৰক্ষাৰ আন কোনো বাটেই নাই।** প্ৰতিযোগিতাত বিজয়ীসকলক মানপত্ৰ আৰু নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব।

০০০০

ধুবুৰী জিলাৰ গোলকগঞ্জত জেহাদী সংগঠনৰ সৈতে সম্পৰ্ক থকাৰ অভিযোগত এজন শিক্ষকক আটক কৰা হৈছে। বাংলাদেশৰ জামাদী ইছলামী নামৰ সংগঠনটোৰ সৈতে জড়িত থকাৰ অভিযোগত গোলকগঞ্জ আৰক্ষীয়ে লক্ষীমাৰী মজলীয়া বিদ্যালয়ৰ শিক্ষক শ্বাহ আলম সৰকাৰক আটক কৰে। বিদ্যালয়খনৰ আন এজন শিক্ষক হজৰত আলী বৰ্তমানলৈ পলাতক হৈ আছে। পলাতক হজৰত আলীৰ সন্ধানত গোলকগঞ্জ আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃ ঃঃ ঃঃ ঃঃ ঃঃ